# Agreement between MEA and BMVSS for 'India for Humanity' project extended

August 05, 2020

---

## 'মানৱতাৰ কাৰণে ভাৰত' প্ৰকল্পৰ কাৰণে বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয় আৰু বি এম ভি এছ এছ-ৰ মাজত চুক্তি

আগষ্ট 05, 2020

তেখেতৰ 150 তম জন্ম বাৰ্ষিকী উদযাপন উপলক্ষে, বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ে(এম ই এ) 9 অক্টোবৰ 2018ত মানৱতাৰ কাৰণে ভাৰত শীৰ্ষক এক পদক্ষেপ আৰম্ভ কৰে। এই পদক্ষেপৰ জৰিয়তে মহাত্মা গান্ধীৰ মানৱতাৰ প্ৰতি দয়া, যত্ন আৰু সেৱাৰ দৰ্শনক অগ্ৰাধিকাৰ দিয়া হৈছে। এই পদক্ষেপৰ অধীনত 12 খন দেশত 13 টা কৃত্ৰিম অংগ প্ৰতিষ্ঠাপন শিবিৰৰ আয়োজন কৰা হয় আৰু 6500 তকৈ অধিক কৃত্ৰিম অংগ প্ৰতিষ্ঠাপন কৰা হয়। এই শিবিৰসমূহ সম্পূৰ্ণৰূপে বৈদেশিক মন্ত্ৰণালয়ৰ দ্বাৰা প্ৰযোজিত আৰু প্ৰসিদ্ধ চেৰিটি সংগঠন "ভগৱান মহাবীৰ বিকলাংগ সহায়তা সমিতি"(বি এম ভি এছ এছ)-ৰ দ্বাৰা কাৰ্যকৰী কৰা হয়।

2. এই শিৱিৰসমূহ আয়োজন কৰাৰ ফলত আয়োজিত দেশসমূহ যেনে মালাৱী, ইৰাক, নেপাল, ইজিপ্ত, বাংলাদেশ, ইথিউপিয়া আদিত ভাৰতৰ প্ৰতি মংগল কামনাৰ ভাৱ উদয় হৈছে। এই শিৱিৰসমূহৰ লক্ষ্য হৈছে সমাজৰ স্বভিমানী আৰু যোগ্য সদস্য হোৱাৰ কাৰণে তেওঁলোকৰ ক্ষিপ্ৰতা আৰু মৰ্যদা পুনৰাই অৰ্জন কৰাত সহায় কৰি শাৰিৰীক, আৰ্থিক আৰু সামাজিকভাৱে পুনঃপ্ৰতিষ্ঠা কৰাৰ ব্যৱস্থা কৰা। ভাৰতে নিজৰ উন্নয়ন অংশীদাৰিত্বৰ অধীনত মানৱীয় সহায়তা প্ৰদান কৰি আহিছে যি বাসুদৈৱ কুটুম্বকমৰ মূল মন্ত্ৰৰ দ্বাৰা উত্পন্ন।

3. এই প্ৰসংগত, 5 আগষ্ট 2020 তাৰিখে বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয় আৰু বি এম ভি এছ এছ-ৰ মাজত চুক্তিৰ সময়সীমা আৰু 3 বছৰ অৰ্থাত্ মাৰ্চ 2023 লৈ বৃদ্ধি কৰা হয় । বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ৰ সচিব(ই আৰ) হৈ শ্ৰী ৰাহুল চাব্ৰাই চুক্তিখনত স্বাক্ষৰ কৰে আনহাতে বি এম ভি এছ এছ-ৰ হৈ চুক্তিত স্বাক্ষৰ কৰে শ্ৰী শতীশ মেহেতাই।

**নতুন দিল্লী**
**আগষ্ট 05, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.